**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-12-2025 **Time :** 1100 Hrs.

0000000000

দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তঃগাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। শ্ৰী মোদীয়ে ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে ৰোড শ্ব'ৰ আয়োজন কৰিছে।

শ্ৰী মোদীয়ে পৰহিলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব বুলি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে এখন জাননীযোগে প্ৰকাশ কৰিছে। তদুপৰি কাইলৈ আৰু পৰহিলৈ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী তিনিটা ঘাটৰ ফেৰী সেৱা বন্ধ থাকিব।

শ্ৰীমোদী সেইদিনাই নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত কালি বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি অন্যান্য মন্ত্ৰী, বিধায়ক তথা দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰ সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে সকলো দিশ সামৰি আলোচনা কৰা হয়।

০০০০০০০

ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিকভাৱে শুকাই যোৱাৰ পৰিপ্ৰেক্ষিতত মাজুলীৰ কমলাবাৰী ঘাটেৰে চৰকাৰী জাহাজৰ চলাচল বন্ধ কৰি দিয়া হৈছে। জলস্তৰ হ্ৰাস হোৱাৰ ফলত কেৱল ব্যক্তিগত ফেৰীসমূহেৰে পথ সলাই মূল কমলাবাৰী ফেৰী ঘাটলৈ এটা ইঞ্জিনযুক্ত ফেৰীৰ চলাচল হৈ আছিল যদিও যোৱা ৬ ডিচেম্বৰৰ পৰা আভ্যন্তৰীণ জল পৰিবহণ বিভাগে কমলাবাৰীৰ পাৰঘাটটো মাজুলীৰ দৰবাৰ আৰু কুমলীয়া চাপৰিৰ মাজ অংশলৈ স্থানান্তৰিত কৰে।

০০০০০০০

ধেমাজি জিলাত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলক আজি ৰাজহুৱা প্ৰেক্ষাগৃহত জিলা শিক্ষা বিভাগে আয়োজন কৰা এটা অনুষ্ঠানত নিযুক্তি স্থান পত্ৰ প্ৰদান কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষকসকলক নিযুক্তি স্থান পত্ৰ প্ৰদান কৰিব।

০০০০০০০

ধেমাজিৰ চিলিমপুৰত থকা আব-তানি কৃষ্টি ভৱনত অহা ২৭ আৰু ২৮ ডিচেম্বৰত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ দ্বিবাৰ্ষিক গোগামুখ অধিৱেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নাট্য সন্মিলনৰ ধেমাজি জিলা সমিতিৰ সৌজন্যত আয়োজিত দুদিনীয়া এই অধিৱেশনৰ নাট প্ৰতিযোগিতাত কেইবাটাও নাট্যদলে অংশগ্ৰহণ কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ডঃ দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত ২৫ সংখ্যক বড়োলেণ্ড ছহিদ স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত কালি গ্ল'বেল এফ চিয়ে গোসাইগাঁৱৰ শালবাগান এফ চিক ট্ৰাইব্ৰেকাৰৰ সহায়ত ৩-৫ গ'লৰ ব্যৱধানত হৰুৱাই খিতাপ অৰ্জন কৰে। খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ'লত অমীমাংসিত হৈ ৰোৱাত ট্ৰাইব্ৰেকাৰৰ সহায় ল'বলগীয়া হয়। প্ৰতিযোগিতাৰ বিজয়ী দলটোক ট্ৰফীসহ নগদ ১ লাখ টকা প্ৰদান কৰা হয়। চূড়ান্ত খেলখন উপভোগ কৰি বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰ ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামখন সুন্দৰ ৰূপত নতুনকৈ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০০

বাক্সাই অসম কাবাদী সন্থাৰ তত্বাৱধান আৰু শালবাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত শালবাৰী মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ছোৱালীৰ আন্তঃজিলা জুনিয়ৰ কাবাদী প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। বাক্সাই কালিৰ ফাইনেলত নাহৰকটীয়া দলক ৫২-২৬ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাত নাহৰকটীয়াৰ কৃতি ৰয়ে শ্ৰেষ্ঠ ৰেইডাৰ, বাক্সাৰ মৰমী বড়ো আৰু কনিকা দৈমাৰীয়ে ক্ৰমে শ্ৰেষ্ঠ ডিফেণ্ডাৰ আৰু শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। ৰাজ্যৰ ২৬ খন জিলাই অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত নিৰ্বাচিত খেলুৱৈয়ে কলকাতাত হ'বলগীয়া জুনিয়ৰ ৰাষ্ট্ৰীয় কাবাদী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা অসম দলক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০০০

**সমাপ্ত**